**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-DEC-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যৰ সকলো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত বুৰঞ্জী আৰু ভূগোল বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্তিৰ ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীক আজি ড০ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত স্কুটাৰ প্ৰদান।

৩। তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শম্ভুনাথ সিঙক উপাচাৰ্যৰ দায়িত্বৰ পৰা অব্যাহতি।

৪। নামৰূপ সাৰ কাৰখানাৰ উৎপাদনক্ষম তৃতীয় গোটত ভয়াৱহ অগ্নিকাণ্ড।

**আৰু**

৫। ভাৰত-ভূটান মৈত্ৰী সংস্থা- বিফাৰ ফুটবল প্ৰতিযোগিতাত ভূটানৰ থিম্ফু চিটী এফ চিৰ জয়লাভ।

০০০০০০

অসম বিষয়ক জ্ঞানেৰে শিক্ষাৰ্থীৰ উত্তৰণত গুৰুত্ব আৰোপ কৰি ৰাজ্যিক মন্ত্ৰীসভাই সকলো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত বাধ্যতামূলক বিষয় হিচাপে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা অন্তৰ্ভুক্তিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয় যে অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ উদ্দেশ্যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত গঠিত সমিতিৰ পৰামৰ্শ অনুসৰি মন্ত্ৰীসভাই এই সিদ্ধান্ত লয়।

**ৰাইট (চি এম)**

ড০ শৰ্মাই মন্ত্ৰীসভাৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা উল্লেখ কৰি কয়, যে ৰাজ্যিক মন্ত্ৰীসভাই বৰাক উপত্যকাত বিমান যোগাযোগ ব্যৱস্থাৰ প্ৰসাৰৰ হকে শিলচৰৰ ডলু চাহ বাগিচাত গ্ৰীণ ফিল্ড বিমানবন্দৰ নিৰ্মাণৰ বাবে ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণলৈ ৩ হাজাৰ বিঘা ভূমি হস্তান্তৰত অনুমোদন জনাইছে। এই সিদ্ধান্তৰ ফলত বিমানবন্দৰটো নিৰ্মাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন লাভৰ পথ প্ৰশস্ত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ এহেজাৰ ২০০ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰাৰ সিদ্ধান্ততো কালি মন্ত্ৰীসভাই অনুমোদন জনায়।

মন্ত্ৰীসভাই কাৰ্বি আংলং জিলাৰ লংভাকুত ৰাজ্যৰ দ্বিতীয়খন সৈনিক বিদ্যালয় স্থাপনৰ বাবে প্ৰশাসনিক অনুমোদন দিয়ে। ৩৩৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া সৈনিক বিদ্যালয়খনৰ মুঠ নিৰ্মাণ ব্যয়ৰ ৮০ শতাংশ প্ৰতিৰক্ষা মন্ত্ৰালয়ে আৰু ২০ শতাংশ ধন অসম চৰকাৰে বহন কৰিব। কালিৰ বৈঠকত ডিমা হাছাও জিলাত

চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সময়ত ভূমি অধিগ্ৰহণ কৰা ৮৮৪টা পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদত ২৪৩ কোটি ৬৬ লাখ টকা ব্যয়ৰে বিমান ক্ষেত্ৰ আৰু প্ৰতিৰক্ষা, মটৰগাড়ী আৰু বৈদ্যুতিক বাহন উদ্যোগৰ এটা উৎকৰ্ষ কেন্দ্ৰ স্থাপনত অনুমোদন জনায়।

oooooo

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড০ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত আজি স্কুটাৰ প্ৰদান কৰা হ'ব। এইবাৰ এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি দিনৰ ১১ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰীয়ে এই বঁটা লাভ নকৰে।

oooooo

তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত হোৱা অনিয়মৰ পৰিপ্ৰেক্ষিতত কালি কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগে তেওঁক উপাচাৰ্যৰ দায়িত্বৰ পৰা কিছুদিনৰ বাবে অব্যাহতি দিয়ে। উপাচাৰ্যজনৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতি অনিয়মৰ অভিযোগসমূহৰ বুজ ল'বলৈ বিশ্ববিদ্যালয়খনত উপস্থিত হোৱা কেন্দ্ৰীয় শিক্ষা বিভাগৰ উচ্চ পৰ্যায়ৰ দলটোৱে ভাৰপ্ৰাপ্ত উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধিসহ ঐক্যমঞ্চৰ বিষয়ববীয়াসকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। কেন্দ্ৰীয় শিক্ষা বিভাগৰ সচিব আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্যবাহী অধ্যক্ষ ড° বিনীত যোশী আৰু যুটীয়া সচিব সৌম্য গুপ্তাকে ধৰি তিনিজনীয়া দলটোৱে বৈঠকৰ অন্তত সমগ্ৰ বিষয়টো শিক্ষা মন্ত্ৰালয়ক পৰৱৰ্তী পদক্ষেপৰ বাবে অৱগত কৰিব বুলি সদৰী কৰে। তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে শম্ভুনাথ সিং কোনো প্ৰশাসনিক পদত অথবা দায়িত্বত নাথাকিব বুলিও দলটোৱে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, যোৱা ৪ ডিচেম্বৰত বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীয়ে ১৯৯৩ চনৰ তেজপুৰ বিশ্ববিদ্যালয় আইনৰ দুই নম্বৰ অনুচ্ছেদৰ ছয় নম্বৰ দফা অনুসৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকী এমাহতকৈ অধিক দিন দায়িত্বৰ পৰা আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত জ্যেষ্ঠ অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব অৰ্পণ কৰে। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় শিক্ষা বিভাগে অধ্যাপক ভট্টাচাৰ্যৰ এই নিযুক্তিত অনুমোদন প্ৰদান কৰে।

oooooo

অসমৰ প্ৰথমখন ৰাজকীয় পক্ষী উদ্যান চৰাই চোঙৰ ৩৯২ বছৰীয়া ঐতিহ্য পুনৰ উজ্জিৱীত কৰাৰ উদ্দেশ্যেৰে কালিৰে পৰা **চৰাইচোং মহোৎসৱ ২০২৫** অনুষ্ঠিত হৈছে। ১৬৩৩ খৃষ্টাব্দত স্বৰ্গদেউ প্ৰতাপ সিংহই সংৰক্ষণ ক্ষেত্ৰ হিচাপে মাজুলীত আৰম্ভ কৰা উদ্যানখনক পক্ষী বিচৰণক্ষেত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ৪ দিনীয়া কাৰ্যসূচীৰে দ্বিতীয়বাৰৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। মাজুলী সাহিত্যৰ উদ্যোগত অনুষ্ঠিত এই মহোৎসৱ কালি গছপুলি ৰোপন কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। চৰাইচোং মহোৎসৱত ১০ খনকৈ গ্ৰন্থ প্ৰকাশ, দুখন প্ৰকৃতি বিষয়ক আলোচনাচক্ৰ, বাণিজ্য মেলা, গ্ৰন্থমেলা, টুনী পৰ্যটন পৰিবেশনকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা

হৈছে। এই সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতাৰ আগত উদযাপন সমিতিৰ সভাপতি দুৰ্গেশ্বৰ শইকীয়াই এনেদৰে কয়–

**-বাইট-**

০০০০০০

নামৰূপ সাৰ কাৰখানাৰ বৰ্তমান উৎপাদনক্ষম তৃতীয় গোটত কালি সন্ধিয়া ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। এমোনিয়া উৎপাদন কৰা তৃতীয় গোটটোত সন্ধিয়া প্ৰায় ৭ বজাত জুই লাগে। জুইৰ লেলিহান শিখাই পলকতে সমগ্ৰ এলেকাটো আঁৱৰি লয়। অৱশ্যে সাৰ কাৰখানা, ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনী আৰু অইল ইণ্ডিয়াৰ অগ্নি নিৰ্বাপক বাহিনী ৪৫ মিনিটৰ ভিতৰত ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ সমৰ্থ হয়। আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনোৱা মতে অগ্নিকাণ্ডত সাৰ কাৰখানাটোৰ এয়াৰ কম্প্ৰেচাৰ সম্পূৰ্ণৰূপে ধ্বংস হয়। উল্লেখযোগ্য যে, নামৰূপ সাৰ কাৰখানা- ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচন লিমিটেডৰ বৰ্তমান চলি থকা এই তৃতীয় গোটটোৱে উৎপাদনৰ ক্ষেত্ৰত অত্যন্ত ভাল ফলাফল দেখুৱাবলৈ সমৰ্থ হৈছিল। চলিত বৰ্ষত মাত্ৰ ৪ মাহত এপ্ৰিল পৰা জুলাইলৈ এই উৎপাদন গোটটোৱে ১ লাখ ২০০৩ মেট্ৰিক টন ইউৰিয়া উৎপাদন কৰি অভিলেখ গঢ়িছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণৰ সময়ত সাৰ কাৰখানাটোৰ নতুন এটা গোটৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে। নতুন গোটটোক কাৰ্যক্ষম হ'বলৈ প্ৰায় ৪-৫ বছৰ প্ৰয়োজন হ'ব। এই সময়ছোৱাত তৃতীয় গোটটোত সংঘটিত দুৰ্ঘটনাটোৱে সাৰ কাৰখানাটোত কৰ্মৰত ৪ শতাধিক বিষয়া-কৰ্মচাৰী আৰু প্ৰায় ১২০০ অস্থায়ী কৰ্মচাৰীৰ সৈতে উদ্যোগটোলৈকে শংকা কঢ়িয়াই আনিছে বুলি স্থানীয় ৰাইজে আশংকা ব্যক্ত কৰিছে।

০০০০০০

২০২৬ চনৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰস্তুতিৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কালি গুৱাহাটীত ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ৰাজ্যৰ সকলো জিলা নিৰ্বাচনী বিষয়া আৰু প্ৰথম পৰ্যায়ৰ পৰীক্ষণ তত্বাৱধায়কসকলে অংশগ্ৰহণ কৰে। নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ উপ-নিৰ্বাচনী আয়ুক্ত মনীষ গাৰ্গ আৰু অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ অধ্যক্ষতাত অনুষ্ঠিত এই কৰ্মশালাত নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰিবলৈ ই ভি এম পৰিচালনাৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মসমূহৰ বিষয়ে আলোচনা কৰা হয়। কৰ্মশালাত হায়দৰাবাদৰ ইলেক্ট্ৰনিক্‌ছ কৰ্পোৰেচন অব ইণ্ডিয়া লিমিটেডৰ কাৰিকৰী বিশেষজ্ঞসকলে ই ভি এম আৰু ভিভিপেটৰ বিভিন্ন দিশ সামৰি পৰামৰ্শ আগবঢ়ায়। ৰাজ্যৰ সকলো জিলাতে অহা ১১ ডিচেম্বৰৰ পৰা ১০ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব বুলি ৰাজ্যৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই কালি এটা প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰে।

০০০০০০

অৰুণাচল প্ৰদেশৰ সীমান্ত পথ সংস্থাৰ ৩২টা কৌশলগতভাৱে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প কালি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। এই উপলক্ষে কালি পশ্চিম চিয়াং জিলাৰ আলোত ৪৪ নম্বৰ সীমান্ত পথ কাৰ্যবাহিনীৰ এটা বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ অৰুণাচল প্ৰদেশৰ আইন আৰু ন্যায় মন্ত্ৰী কেণ্ট' জিনিয়ে এই প্ৰকল্পসমূহে ভাৰত-চীন সীমান্তৰ চি য়ুমি আৰু আপাৰ চিয়াং জিলাত নিয়োজিত সেনাবাহিনীক বিশেষভাৱে সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে সশস্ত্ৰ বাহিনী

আৰু স্থানীয় লোকৰ মাজত যোগাযোগ উন্নত হোৱাৰ উপৰি যিকোনো অভিযানৰ প্ৰস্তুতি ক্ষীপ্ৰতাৰে কৰিব পৰা যাব। উল্লেখযোগ্য যে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি লাডাখত অৰুণাচল প্ৰদেশৰ উপৰি মিজোৰাম, ছিকিম, পশ্চিমবংগ, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বাবে ১২৫টা প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে।

০০০০০০

ভাৰত-ভূটানৰ সৌহাদ্যপূৰ্ণ সম্পৰ্ক অটুত ৰখাৰ লগতে দুয়োখন দেশৰ বন্ধুত্ব আৰু অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে ভূটানৰ চামদ্ৰুপ ঝংখাৰত কালি অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ভূটানৰ থিম্ফু চিটী এফ চি বিজয়ী হয়। ভাৰত-ভূটান মৈত্ৰী সংস্থা- বিফাৰ উদ্যোগত আৰু ভাৰতীয় উচ্চায়ুক্তৰ সহযোগত যোৱা ২২ নৱেম্বৰৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতালানিৰ কালি নিশা সামৰণি পৰে। চূড়ান্ত খেলখনত বিজয়ী দল থিম্ফু চিটী এফ চিয়ে ভূটানৰে পেৰো এফ চিক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত চামদ্ৰুপ ঝংখাৰৰ আয়ুক্ত টাছি ৰাংমু, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বি টি চিৰ উপাধ্যক্ষ বিজিত গৌড়া নাৰ্জাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সৌহাদ্যপূৰ্ণ প্ৰতিযোগিতাখনৰ বিষয়ে আমাৰ তামুলপুৰৰ সংবাদদাতাৰ আগত বিফাৰ উপ সভাপতি গুপ শ্বনম ডুকপাই এনেদৰে কয়–

**-বাইট-**

০০০০০০

ঘন কুঁৱলীৰ বাবে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ফেৰী সেৱা আজিও পুৱাৰ পৰা বাতিল কৰা হৈছে। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীন জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। বতৰ ফৰকাল নোহোৱা পৰ্যন্ত ফেৰী সেৱা ব্যাহত থাকিব বুলি আভ্যন্তৰীন জল পৰিবহণ বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী প্ৰাদেশিকীকৃত পৌৰ কৰ্মচাৰী আৰু নগৰ তথা গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ২ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব।

ইপিনে অসম আৰক্ষী আৰু গৃহ বিভাগত নিযুক্তি লাভ কৰা চাহ জনজাতিৰ ১২০ গৰাকী প্ৰাৰ্থীক আজি বিয়লি জনতা ভৱনত আয়োজিত এটা অনুষ্ঠানত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগত বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

*News Paper Review*

ৰাজ্যৰ ২৮ গৰাকী সাহিত্যিকক বঁটা-পেঞ্চন প্ৰদান, ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত অসম বুৰঞ্জী আৰু ভূগোল বিষয় বাধ্যতামূলক, গোৱাৰ অগ্নিকাণ্ড আদি বাতৰিসমূহে আজি দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত ঠাই পাইছে।

২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অগপৰ ৯ গৰাকী বিধায়কৰ ৬ গৰাকীৰে টিকট প্ৰাপ্তিৰ সম্ভাৱনা অনিশ্চিত বুলি **অসমীয়া প্ৰতিদিন** কাকতে অসম বিজেপিৰ আগ্ৰাসী ভূমিকা  সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

যোৰহাট নগৰৰ মাজেৰে বৈ যোৱা টোকোলাই নৈখনে মৃত্যুৰ ক্ষণ গণিবলগীয়া হোৱা আৰু এই ক্ষেত্ৰত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে বিশেষ পদক্ষেপ নোলোৱাৰ অভিযোগৰ এটা বাতৰি  **দৈনিক জনমভূমি** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

অৰুণাচলত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কেইবাটাও কৌশলগত আন্তঃগাঁথনি প্ৰকল্প মুকলি কৰাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

৯৩ সংখ্যক ওপজা দিনত চাৰিকড়ীয়া নৈৰপাৰত স্থাপন কৰা হোমেন বৰগোহাঞিৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি কালি উন্মোচন কৰা হয়। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যৰ কৃষিভূমি অন্যখণ্ডলৈ পৰিৱৰ্তিত হোৱাৰ ফলত কৃষি উপযোগী মাটিৰ পৰিমাণ ক্ৰমাৎ কমি আহিছে। এই বাতৰি **দ্য ছেণ্টিনেল** কাকতৰ।

বিশ্ব তথা ৰাজ্যৰে প্ৰথমটো চাহ গৱেষণাগাৰ **টোকোলাই চাহ গৱেষণাগাৰ** তীব্ৰ আৰ্থিক সংকটত পৰিছে। ১০০ বছৰৰো অধিক পুৰণি এই গৱেষণাগাৰৰ আৰ্থিক সংকটে কৰ্মচাৰীসকলৰ জীৱনলৈও শংকা কঢ়িয়াই আনিছে। এই বাতৰি **দৈনিক অসম** কাকতৰ।

৬ জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদন পুনৰ সংশোধন হ'ব। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

ষষ্ঠটো দিন উকলি যোৱাৰ পাছটো কালি ইণ্ডিগো বিমানৰ বিমান পৰিবহণত দেখা দিয়া অচলাৱস্থাৰ শেষ হোৱা নাই। কালি ৬৫০ খন বিমান বাতিল হোৱাৰ ফলত যাত্ৰীসকলৰ মাজত হাঁহাকাৰৰ সৃষ্টি হয়। এই বাতৰি **অসমীয়া খবৰৰ** লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

গোৱাৰ জনপ্ৰিয় নাইট ক্লাৱত সংঘটিত অগ্নিকাণ্ডত মৃতকৰ সংখ্যা ২৫ লৈ বৃদ্ধি পাইছে। জতুগৃহত পৰিণত গোৱাৰ নৈশ ক্লাৱ শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰকাশ কৰা এই বাতৰিটো অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

ooooooo

**সমাপ্ত**